# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-06-2025
**Time :** 18-45  Hrs

***Assamese EVENING Bulletin***
**:::::::::::::::::::::::::::::::**

১। সোণাৰাম খেলপথাৰৰ পৰা কামাখ্যা মন্দিৰলৈ ৰ’পৱে নিৰ্মাণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। বৰপেটাত জাপানীজ এনচেফেলাইটিছ্‌ ৰোগৰ সংক্ৰমণ বৃদ্ধি। বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ছজন চিকিৎসাধীন, এনচেফেলাইটিছ্‌ সদৃশ ৰোগত বহুকেইজন আক্ৰান্ত।

৩। জাতিংগা-লামপুৰ আৰু নিউ হাফলঙৰ মাজৰ ৰে’লপথত ভূমিস্খলনৰ বাবে হোৱা বিজুতিৰ বাবে একাধিক ৰে’লৰ যাত্ৰা বাতিল আৰু যাত্ৰাৰ সময় পুনৰ নিৰ্ধাৰণ।

৪। মণিপুৰলৈ শান্তি তথা স্বাভাৱিক পৰিস্থিতি ঘূৰি আহিছে বুলি প্ৰাক্তন মুখ্যমন্ত্ৰী এন বিৰেণ সিঙৰ প্ৰকাশ।
*আৰু*

৫। বিগত ২৪ ঘণ্টাত মণিপুৰত ১৩ গৰাকী নতুনকৈ ক’ভিড-১৯ত আক্ৰান্ত লোক চিনাক্ত।

০০০০

অম্বুবাচী মহাযোগৰ নিবৃত্তিৰ পাছত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সপৰিয়ালে কামাখ্যা মন্দিৰ দৰ্শন কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এইবছৰ অম্বুবাচী মহাযোগ নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে পৰ্যটন বিভাগ, মন্দিৰ পৰিচালনা সমিতিৰ লগতে পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসকো ধন্যবাদ জনায়। মন্দিৰ পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে সোণাৰাম খেলপথাৰৰ পৰা কামাখ্যালৈ ৰ’পৱে নিৰ্মাণ কৰা হ’ব বুলি ঘোষণা কৰে। কামাখ্যা ষ্টেচনৰ পৰা কামাখ্যা ধামলৈ নিৰ্মীয়মান ৰ’পৱেৰ কাম পূৰ্ণ গতিত চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে বৰপেটা জিলাতো জাপানীজ এনচেফেলাইটিছ্‌ ৰোগৰ সংক্ৰমন ক্ৰমাৎ বৃদ্ধি পাইছে। জিলাখনৰ ফকৰুদ্দিন আলি আহমদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত  এই ৰোগত আক্ৰান্ত ছজন ৰোগী চিকিৎসাধীন হৈ আছে। তদুপৰি জাপানীজ এনচেফেলাইটিছ্‌ সদৃশ ৰোগত বহু লোক আক্ৰান্ত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে সতৰ্কতামূলক ব্যৱস্থা হিচাপে ঘৰৰ চৌহদ পৰিষ্কাৰ কৰি ৰাখিবলৈ, কোনো স্থানতে বহুদিন পানী জমা হ’বলৈ নিদিবলৈ, শোৱাৰ সময়ত আঠুৱা তৰিবলৈ, মহে কামুৰিব নোৱাৰাকৈ হাত দীঘল পোচাক পৰিধান কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তদুপৰি বৰ্তমানৰ এই সংক্ৰমনৰ সময়ত গাহৰীৰ পৰা আঁতৰি থাকিবলৈও বিশেষজ্ঞজনে সকলোকে আহ্বান জনাইছে। উল্লেখযোগ্য যে বৰপেটাৰ লগতে কামৰূপ জিলাতো এই ৰোগত ১৩ গৰাকী লোক আক্ৰান্ত হৈছে। জিলাখনৰ বাইহাটা, ৰঙিয়া, হাজো অঞ্চলত এই ৰোগ প্ৰতিৰোধৰ বাবে কামৰূপ জিলা মেলেৰীয়া বিভাগৰ তৰফৰ পৰা এই সংক্ৰমণ ৰোধৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইপিনে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত জাপানীজ এনচেফেলাইটিছ্‌ ৰোগত আক্ৰান্ত ৩২ গৰাকী ৰোগী চিকিৎসাধীন হৈ আছে।

০০০০

জাতিংগা-লামপুৰ আৰু নিউ হাফলঙৰ মাজৰ ৰে'লপথত ভূমিস্খলনৰ বাবে হোৱা বিজুতিৰ বাবে কেইবাখনো ৰে'ল বাতিল আৰু সময় পুনৰ নিৰ্ধাৰণ কৰা হৈছে। আজি চলাচল কৰিবলগীয়া ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ্ আৰু গুৱাহাটী-দুৰ্লভচেৰা এক্সপ্ৰেছৰ যাত্ৰা বাতিল হোৱাৰ লগতে কাইলৈ যাত্ৰা কৰিবলগীয়া গুৱাহাটী-শিলচৰ আৰু আগতৰতলা ৰাণী কমলাপট্টি বিশেষ ৰে'লখনৰ যাত্ৰা বাতিল হৈছে। আনহাতে আগৰতলাৰ পৰা দেওঘৰলৈ চলাচল কৰা ৰে'লখনৰ যাত্ৰাও আংশিকভাৱে বাতিল হয়। কাইলৈ যাত্ৰা কৰিবলগীয়া শিলচৰ-ৰঙিয়া এক্সপ্ৰেছৰ যাত্ৰা এদিন পিছুৱাই দিয়া হৈছে।

০০০০

জলসম্পদ তথা জনসংযোগ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই জাগীৰোডৰ পৰিদৰ্শন ভৰনত মৰিগাঁও জিলাৰ আয়ুক্ত, জাগীৰোড সমজিলা আয়ুক্ত তথা অন্যান্য বিষয়াসকলৰ সৈতে আজি এখন বৈঠকত অংশগ্ৰহণ কৰে। জাগীৰোডৰ উন্নয়ন সন্দৰ্ভত বিভিন্ন দিশৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়। মৰিগাঁও জিলাখনৰ লগতে জাগীৰোড সমষ্টিৰ বিভিন্ন উন্নয়নমূলক কাম আৰু চৰকাৰী জনকল্যাণমূলক আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভতো সভাত আলোচনা কৰা হয়।

০০০০

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ সোঁৱৰণত আজি আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত আৰু ইনলি ফাউণ্ডেচনৰ সহযোগত **সুৰৰে দেউলৰে** শীৰ্ষক এটি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি পুৱা চানমাৰিৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত থকা ৰিক্ৰিয়েচন ক্লাবত অমৰেন্দ্ৰ শৰ্মা, দিপক কুমাৰ দাস আৰু ছাদিক আনাম ৰহমানৰ তত্বাৱধানত প্ৰথমৰ পৰা পঞ্চম আৰু ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত দুটি শাখাত বিষ্ণু প্ৰসাদ ৰাভাদেৰৰ সৈতে সংগতি থকা ছবি অংকনৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত আয়োজিত **সুৰৰে দেউলৰে** শীৰ্ষক অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন আৰু সৃষ্টিৰাজী সন্দৰ্ভত আলোকপাত কৰে। একেটা অনুষ্ঠানতে **সৃষ্টিৰ ৰণুৱা ঘোঁৰা ঃ বিষ্ণু প্ৰসাদ ৰাভা** শীৰ্ষক এখনি আলেখ পৰিৱেশন কৰা হৈছে। অনুষ্ঠানটোৰ সামগ্ৰিক পৰিকল্পনা, ৰবিন চন্দ্ৰ বড়োৰ, ব্যৱস্থাপনা নয়ন প্ৰসাদৰ।

০০০০

ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ২০২৫-২৬ নতুন শিক্ষাবৰ্ষত সকলো বিদ্যালয়ৰ বাবে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি প্ৰতিগৰাকী শিক্ষকে পুৱা ৯ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব। শিক্ষকসকলে শৈক্ষিক দিনপঞ্জীত নিৰ্ধাৰণ কৰা সময় অনুসৰিহে বিদ্যালয় এৰিব পাৰিব। বিদ্যালয়ত প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষাসেঁতু এপত অন্তৰ্ভুক্ত কৰিব লাগিব। প্ৰতিগৰাকী শিক্ষাৰ্থীৰ উপস্থিতিৰ তথ্য লোৱাৰ বাবে শ্ৰেণী শিক্ষক দায়বদ্ধ হ'ব। তদুপৰি সকলো স্নাতকোত্তৰ শিক্ষকে হাইস্কুল পৰ্যায়তো শিক্ষাদান কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। একেদৰে বিদ্যালয়ৰ অন্যান্য কৰ্মচাৰীসকলেও দিনৰ ১০ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব আৰু বিয়লি চাৰে ৪ বজালৈ বিদ্যালয়ত থাকিব লাগিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০

যোৱা ৭-৮ মাহে গোষ্ঠী সংঘৰ্ষই ভয়াৱহ ৰূপ লোৱা মণিপুৰৰ পৰিস্থিতিৰ বৰ্তমান কিছু উন্নতি ঘটিছে। ৰাজ্যখনলৈ ক্ৰমে শান্তি তথা স্বাভাৱিক পৰিৱেশ ঘূৰি আহিছে। মণিপুৰৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী এন বিৰেণ সিঙে সাংবাদিকৰ আগত এইকথা প্ৰকাশ কৰে। ভূতপূৰ্ব মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ

শলাগ লৈ ৰাজ্যখনত স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনাৰ বাবে গৃহমন্ত্রীগৰাকীয়ে নিৰন্তৰ প্রচেষ্টা চলাই আহিছে বুলি মন্তব্য কৰে। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে লগতে কেন্দ্রীয় নেতৃবৃন্দই ৰাজ্যখনত পুনৰ নির্বাচিত চৰকাৰ ঘূৰাই অনাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব বুলি আশা প্রকাশ কৰে।

০০০০

দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়ত বর্তমানৰ প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ অভিজ্ঞতাৰ ভিত্তিত সংকলিত হোৱা ইমাৰজেন্সি ডায়েৰীছ নামৰ এখন গ্রন্থ গুৱাহাটীৰ বিজেপিৰ ৰাজ্যিক মুখ্য কার্যালয়ত মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। ব্লু ক্রাফ্‌ট ফাউণ্ডেচনে সংকলন কৰা কিতাপখনৰ আগকথা প্রধানমন্ত্রী মোদীয়ে লিখাৰ লগতে ভূতপূর্ব প্রধানমন্ত্রী এইচ ডি দেৱগৌৰাই লিখা পাতনি সন্নিবিষ্ট হৈছে। গ্রন্থখন উন্মোচন কৰি মুখ্যমন্ত্রী ড০ শর্মাই কয়, যে দেশৰ জৰুৰীকালীন অৱস্থাত বর্তমানৰ প্রধানমন্ত্রীগৰাকীয়ে গণতান্ত্রিক প্রমূল্যবোধ ৰক্ষা কৰাৰ বাবে যি ভূমিকা গ্রহণ কৰিছিল সেয়া এই গ্রন্থখনৰ জৰিয়তে আজিৰ প্রজন্মই জানিব পাৰিব।

**বাইট (চি এম)**

একেটা অনুষ্ঠানতে ভাগ লৈ শিক্ষামন্ত্রী ডাঃ ৰণোজ পেগুৱে ষষ্ঠ শ্রেণীৰ পৰা দ্বাদশ শ্রেণীলৈ সমাজ অধ্যয়ন বিষয়ত **ভাৰতীয় গণতন্ত্র** শীর্ষক এটা অধ্যায় সন্নিবিষ্ট কৰি অধ্যায়টোত দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাও অন্তর্ভুক্ত কৰা হ'ব বুলি ঘোষণা কৰে। ইপিনে একেখন গ্রন্থ মণিপুৰৰ ইম্ফলত থকা বিজেপিৰ ৰাজ্যিক মুখ্য কার্যালয়ত ৰাজ্যখনৰ ভূতপূর্ব মুখ্যমন্ত্রী তথা বিজেপি নেতা এন বিৰেণ সিঙে উন্মোচন কৰে। ভূতপূর্ব মুখ্যমন্ত্রীগৰাকীয়ে জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত দেশৰ ৰাজনৈতিক ইতিহাসৰ ক'লা অধ্যায় বুলি অভিহিত কৰি জনসাধাৰণৰ গণতান্ত্রিক অধিকাৰ খর্ব কৰাৰ কথা সোঁৱৰণ কৰে।

উল্লেখযোগ্য যে যোৱা ২৫ জুনত দেশত জৰুৰীকালীন অৱস্থা ৫০ বছৰ সম্পূর্ণ হয়। জৰুৰীকালীন অৱস্থাৰ ৫০ সংখ্যক বার্ষিকীত ভাৰতীয় জনতা যুৱমর্চা আৰু ভাৰতীয় জনতা মহিলা মর্চা অসম প্রদেশৰ উদ্যোগত ডিব্রুগড়ৰ হনুমান বক্স সূৰজ মল কানৈ মহাবিদ্যালয়ত **ম'ক পার্লিয়ামেণ্ট** শীর্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। উদ্বোধনী অনুষ্ঠানত কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱালে অংশগ্রহণ কৰি জৰুৰীকালীন অৱস্থাই কেনেদৰে সংবিধান উলংঘা কৰাৰ লগতে জনসাধাৰণৰ মৌলিক অধিকাৰ খর্ব কৰিছিল সেই বিষয়ে উল্লেখ কৰে। অনুষ্ঠানটোত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্রী বিমল বৰা, প্রশান্ত ফুকন ৰূপেশ গোৱালাকে ধৰি বিধায়ক বিজেপিৰ বিষয়ববীয়া অংশগ্রহণ কৰে।

০০০০

প্রতি মাহৰ শনিবাৰে ৰাজহ চক্র বিষয়া কার্যালয়সমূহ ভ্রমণ কৰাৰ উদ্দেশ্যে গ্রহণ কৰা পদক্ষেপৰ অংশ স্বৰূপে যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি মৰিয়নিৰ ৰাজহ চক্র আৰু তিতাবৰ ৰাজহ চক্র বিষয়াৰ কার্যালয় পৰিদর্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে ৰাজহ চক্র অন্তর্গত জনসাধাৰণক সাক্ষাৎ কৰি তেওঁলোকৰ বিভিন্ন অভিযোগসমূহৰ সন্দৰ্ভত বুজ লয়। ইপিনে ৰাজহ চক্র কার্যালয়ৰ কর্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰি আয়ুক্তগৰাকীয়ে ৰাজহুৱা সেৱাৰ সৈতে জড়িত কাম-কাজসমূহ সুচাৰুৰূপে আৰু নির্দিষ্ট সময়ত হোৱাটো নিশ্চিত কৰে।

০০০০

অসম জাতীয় পৰিষদৰ উদ্যোগত গুৱাহাটীৰ প্রাগজ্যোতি আই টি এ কেন্দ্রত ৰাজ্যৰ ভূমি সমস্যা আৰু সমাধান সন্দৰ্ভত অনুষ্ঠিত আলোচনাত কেইবাটাও প্রস্তাৱ গ্রহণ কৰা হয়। সভাই জনস্বার্থৰ বিপৰীতে কোনো সিদ্ধান্ত নল'বলৈ চৰকাৰক আহ্বান জনোৱাৰ লগতে ভূমি শাসন আয়োগৰ ওচৰত পৰামর্শ বা মতামত দাখিলৰ

সময়সীমা ছমাহলৈ বৃদ্ধি কৰিবলৈ দাবী জনায়। বান খহনীয়াত ভূমিহীন হোৱা স্থায়ী বাসিন্দাসকলক নীতি অনুসৰি ভূমি আবণ্টন দি তেওঁলোকক সংস্থাপিত কৰিবলৈ সভাই দাবী জনায়। ইয়াৰ লগতে সভাই কেইবাখনো প্ৰস্তাৱ গ্ৰহণ কৰে।

০০০০

বিগত ২৪ ঘণ্টাত মণিপুৰত ১৩ গৰাকী নতুনকৈ ক'ভিড-১৯ত আক্ৰান্ত লোক চিনাক্ত হৈছে। ৰাজ্যখনৰ পশ্চিম ইম্ফল জিলাত যোৱা ৮ মে'ত ক'ভিড-১৯ৰ সংক্ৰমিত প্ৰথমগৰাকী ৰোগী ধৰা পৰিছিল। তেতিয়াৰে পৰা ২৩০ গৰাকী লোকলৈ ক'ভিড সংক্ৰমিত হৈছে। এইসকল লোকৰ ২১২ গৰাকীক ইতিমধ্যে চিকিৎসাৰ অন্তত যাবলৈ দিয়া হৈছে। বৰ্তমানে ৰাজ্যখনত ১১৮ গৰাকী ক'ভিড ৰোগী আছে। বিগত ২৪ ঘণ্টাত ৪৩ গৰাকী লোকৰ ক'ভিড পৰীক্ষাৰ অন্তত ১৩ জনৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰিছে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ৫ জুলাই তাৰিখে বাক্সা জিলা পৰিদৰ্শন কৰি হিতাধিকাৰীসকলে চৰকাৰী আঁচনিসমূহৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে নে নাই এই বিষয়ত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। এই সভা অনুষ্ঠিত কৰাৰ উদ্দেশ্যে প্ৰস্তুতি চলাবৰ বাবে কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি জালাহত উপস্থিত হৈ জালাহ বি বি কিষাণ মহাবিদ্যালয়ত উদ্যোক্তা আৰু জিলা প্ৰশাসনৰ সৈতে এক আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে সংবাদ মাধ্যমক জনায় যে অহা ৫ জুলাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বাক্সাত উপস্থিত হৈ অৰুনোদয় আঁচনি, এটি কলি দুটি পাত, মুখ্যমন্ত্ৰী মহিলা উদ্যমি আঁচনি আৰু আন কেইবাখনো আঁচনি ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা সভাত ভাগ লব।

০০০০

বিটিচিৰ নিৰ্বাচনৰ দিন এতিয়ালৈ ঘোষণা হোৱা নাই যদিও  বিভিন্ন ৰাজনৈতিক দলে প্ৰাকনিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে।  বিজেপি দলৰ হৈ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ অন্তৰ্গত শালবাৰীত উপস্থিত হৈ বিটিচিত প্ৰাক নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীদাসে বাক্সা জিলাৰ পাঁচোটা সমষ্টিতে বিজেপিয়ে পৰিষদীয় নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। কাৰ্যকৰ্তাসকলে যাতে সঠিকভাৱে নিৰ্বাচনৰ  সৈতে নিজকে নিয়োজিত কৰিব পাৰে সেই বিষয়েও চকু দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০

সমাপ্ত